# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-08-2025
**Time :** 1340 hrs

## *Assamese Midday Bulletin*
## ***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহক ২০২২-২৩ বৰ্ষৰ **স্কোপ** উৎকৰ্ষতা বঁটা প্ৰদান কৰে।
২। জাপানৰ প্ৰযুক্তি আৰু ভাৰতীয় প্ৰতিভাৰ সন্মিলিত প্ৰচেষ্টাই এই শতিকাৰ প্ৰযুক্তি বিপ্লৱক নেতৃত্ব দিব পাৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে।
৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম ৰাজভৱনৰ ব্ৰহ্মপুত্ৰ শাখা উদ্বোধন কৰে।
৪। ভাৰতৰ মুখ্য ন্যায়াধীশ বি আৰ গৱাইয়ে আজি উচ্চতম ন্যায়ালয়ক দুগৰাকী নৱনিযুক্ত ন্যায়াধীশক কাৰ্যভাৰ গ্ৰহণৰ শপতবাক্য পাঠ কৰোৱায়।

*আৰু*

৫। কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন কৰা হয়।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহক ২০২২-২৩ বৰ্ষৰ **স্কোপ** উৎকৰ্ষতা বঁটা প্ৰদান কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে স্বাধীনতাৰ সময়ৰে পৰা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহ অৰ্থনৈতিক বিকাশ আৰু সামাজিক অন্তৰ্ভুক্তিৰ শক্তিশালী কাৰক হিচাপে বিবেচিত হৈছে। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহক তেওঁ ঔদ্যোগিকীকৰণ, আন্তঃগাঁথনি উন্নয়ন, সামাজিক উৎকৰ্ষতা আৰু সন্তুলিত আঞ্চলিক উন্নয়নৰ দিশৰ আধাৰ বুলিও অভিহিত কৰে। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় বিত্ত দপ্তৰৰ ৰাজ্যমন্ত্ৰী পংকজ চৌধাৰীয়ে কয় যে ৰাজহুৱা প্ৰতিষ্ঠানসমূহে ৰাষ্ট্ৰ গঠনৰ প্ৰতি গুৰুত্বপূৰ্ণ অৰিহনা আগবঢ়োৱাৰ লগতে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰতো স্বকীয় পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হৈছে। আজিৰ এই অনুষ্ঠানত ৰাজহুৱা প্ৰতিষ্ঠান দপ্তৰৰ সচিব কে মোজেছ চালাই, স্কোপৰ অধ্যক্ষ কে পি মহাদেৱ স্বামী আৰু সঞ্চালক প্ৰধান অতুল ছব্‌টিয়েও ভাষণ দিয়ে।

ooooo

জাপানৰ প্ৰযুক্তি আৰু ভাৰতীয় প্ৰতিভাৰ সন্মিলিত প্ৰচেষ্টাই এই শতিকাৰ প্ৰযুক্তি বিপ্লৱক নেতৃত্ব দিব পাৰে। টকিঅ'ত অনুষ্ঠিত ভাৰত-জাপান অৰ্থনৈতিক মঞ্চ সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এইদৰে কয়। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে জাপানক প্ৰযুক্তিৰ আৰু ভাৰতক প্ৰতিভাৰ পাৱাৰহাউছ বুলি অভিহিত কৰে। ভাৰতে কৃত্ৰিম বুদ্ধিমত্তা, অৰ্ধপৰিবাহী, কোৱাণ্টাম কম্পিউটিং, জৈৱ প্ৰযুক্তি আৰু মহাকাশ খণ্ডত শক্তিশালী আৰু অভিলাষী পদক্ষেপ লৈছে। তেওঁ লগতে কয় যে ভাৰতে প্ৰতিৰক্ষা আৰু মহাকাশ খণ্ডৰ পাছতে পৰমাণু শক্তি খণ্ড ব্যক্তিগত উদ্যমীৰ বাবে মুকলি কৰি দিছে।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে ভাৰতৰ উন্নয়নৰ যাত্ৰাত জাপান সদায় গুৰুত্বপূৰ্ণ সহযোগী হৈ আহিছে। মেট্ৰোৰ পৰা নিৰ্মাণ খণ্ডলৈ, অৰ্ধপৰিবাহীৰ পৰা ষ্টাৰ্ট আপলৈ ভাৰত-জাপানৰ অংশীদাৰিত্ব সকলো খণ্ডতে পাৰস্পৰিক বিশ্বাসৰ প্ৰতীক হিচাপে পৰিগণিত হৈছে। জাপানৰ কোম্পানীসমূহে ৪ হাজাৰ কোটি ডলাৰ বিনিয়োগ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰত-জাপান সহযোগিতা নিৰ্মাণ আৰু অটো খণ্ডত সফল হিচাপে পৰিগণিত হৈছে। এই সফলতা ৰবটিক্স বেটাৰী, অৰ্ধপৰিবাহী, জাহাজ নিৰ্মাণ আৰু পাৰমাণৱিক শক্তি খণ্ডতো প্ৰতিফলিত কৰিব পাৰি। তেওঁ কয় যে চুজুকি আৰু ডেক্কানৰ সাফল্য আনৰ বাবে সফলতাৰ কাহিনী হ'ব পাৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ভাৰত তথা বিশ্ব নিৰ্মাণৰ ক্ষেত্ৰত সকলোকে আগবাঢ়ি আহিবলৈ আহ্বান জনাইছে।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ভাৰতৰ ৰাজনৈতিক, অৰ্থনৈতিক স্থিৰতা বিষয়ত আলোকপাত কৰাৰ লগতে নীতিৰ ক্ষেত্ৰত স্বচ্ছতাৰ দিশটোও দোহাৰে। ভাৰত বৰ্তমান বিশ্বৰ দ্ৰুত বিকাশশীল বৃহৎ অৰ্থনীতি আৰু অচিৰেই ভাৰতৰ বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনৈতিক শক্তি হোৱাৰ দিশত অগ্ৰসৰ হৈছে। সংস্কাৰ, প্ৰদৰ্শন আৰু পৰিৱৰ্তনৰ জৰিয়তে ভাৰতে এই পৰ্যায়লৈ অগ্ৰসৰ হোৱা বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। একেটা অনুষ্ঠানতে জাপানৰ প্ৰধানমন্ত্ৰী শ্বিগেৰু ইছিবাই কয় যে জাপানৰ উন্নত প্ৰযুক্তি আৰু ভাৰতৰ আশ্চৰ্যকৰ প্ৰতিভাই দুয়ো দেশৰ অৰ্থনৈতিক সম্বন্ধক নেতৃত্ব দি আহিছে। মেক ইন ইণ্ডিয়া সফল কৰি তোলাৰ ক্ষেত্ৰত ভালেসংখ্যক জাপানী কোম্পানীয়ে মুখ্য ভুমিক্য গ্ৰহণ কৰাৰ কথাও জাপানৰ প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে জাপান ভ্ৰমণ সামৰি  প্ৰধানমন্ত্ৰীগৰাকীয়ে চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ আমন্ত্ৰণ মৰ্মে টিয়ানজিনত হ'বলগীয়া চাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে চীনলৈ যাব। উল্লেখযোগ্য যে ভাৰত, চাংহাই সহযোগিতা সংস্থাৰ সক্ৰিয় সদস্য। প্ৰধানমন্ত্ৰীয়ে কয়, যে উমৈহতীয়া সমস্যাৰ সমাধান আৰু আঞ্চলিক সহযোগিতা গভীৰ কৰি তোলাৰ বাবে চাংহাই সহযোগিতা সংস্থাৰ সদস্য ৰাষ্ট্ৰসমূহৰ সৈতে একেলগে কাম কৰিবলৈ ভাৰত প্ৰতিশ্ৰুতিবদ্ধ। শ্ৰীমোদীয়ে কয়, যে চাংহাই সহযোগিতা সংস্থাৰ শীৰ্ষ সন্মিলনৰ আপাহতে ৰাষ্ট্ৰপতি শ্বি জিনপিন, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন আৰু অন্য নেতাসমূহৰ সৈতে হ'বলগীয়া বৈঠকলৈ তেওঁ আগ্ৰহেৰে বাট চাই আছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম ৰাজভৱনৰ ব্ৰহ্মপুত্ৰ শাখা উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত ভাষণ দি গৃহমন্ত্ৰীগৰাকীয়ে কয় যে আজিৰ এই উদ্বোধনী অনুষ্ঠান ৰাজ্যখনৰ বাবে শ্ৰীগণেশৰ আশীৰ্বাদ হিচাপে পৰিগণিত হৈছে। ভৱিষ্যতৰ অসমৰ সৈতে সংগতি ৰাখি এই ভৱনটো নিৰ্মাণ কৰা হৈছে বুলি মত প্ৰকাশ কৰি তেওঁ এই কামৰ বাবে ৰাজ্য চৰকাৰক ভূয়সী প্ৰশংসা কৰে। ৰাজ্যৰ বিকাশমুখী যাত্ৰাত নৱতম সংযোজন হিচাপে ৪১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই নতুন ৰাজভৱনটো ৯ হাজাৰ ৬১৩ বৰ্গফুট পৰিসৰৰ। নতুন ৰাজভৱনটোত ৰাজ্যপালৰ কাৰ্যালয়, অতিৰিক্ত আয়ুক্তৰ কাৰ্যালয়, প্ৰধান ব্যক্তিগত সচিবৰ কাৰ্যালয়, সন্মিলন কক্ষকে ধৰি আন বহু সুবিধা থাকিব। এই উপলক্ষে অনুষ্ঠিত কাৰ্যসূচীত অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ভাষণ দিয়ে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত দেশৰ দ্বিতীয়টো

ৰাষ্ট্ৰীয় চাইবাৰ ফৰেণচিক গৱেষণাগাৰ উদ্বোধন কৰে। ৪৫ কোটি টকা ব্যয়সাপেক্ষে এই ফৰেণচিক গৱেষণাগাৰ নিৰ্মাণ কৰা হৈছে। ইয়াৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ বাবে বিস্তৃতভাৱে ডিজিটেল অনুসন্ধানৰ সুবিধা প্ৰদানৰ লগতে আধুনিক ফৰেণচিক পদ্ধতিৰে আইন প্ৰয়োগৰ ক্ষমতা শক্তিশালী কৰা হ'ব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি গুৱাহাটীৰ নৱনিৰ্মিত ৰাজভৱন মুকলিৰ অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰে। ৰাজভৱন মুকলিৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰী শ্বাহে গুৱাহাটীৰ খানাপাৰাত অনুষ্ঠিত পঞ্চায়ত প্ৰতিনিধি সন্মিলনত ভাগ লয়।

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক কালি সন্ধিয়া মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া আৰু অগপৰ সভাপতি অতুল বৰাকে ধৰি কেইবাগৰাকী নেতাই  গুৱাহাটী বিমান বন্দৰত আদৰণি জনায়। কালি বিয়লি ভাগত অহা ধাৰাষাৰ বৰষুণে গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত সৃষ্টি কৰা কৃত্ৰিম বানৰ মাজেৰে গৃহমন্ত্ৰীগৰাকীক বিমান বন্দৰৰ পৰা পোনে পোনে ৰাজ্যিক বিজেপিৰ কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনলৈ লৈ অনা হয়। তাত তেওঁ বিজেপিৰ কৰ্ণধাৰ সমিতিৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়।

কেন্দ্ৰীয় গৃহমন্ত্ৰী গৰাকীয়ে আজি বিয়লি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ উদ্বোধনী কাৰ্যসূচীত অংশ ল'ব।

০০০০০

ভাৰতৰ মুখ্য ন্যায়াধীশ বি আৰ গৱাইয়ে আজি উচ্চতম ন্যায়ালয়ক দুগৰাকী নৱনিযুক্ত ন্যায়াধীশক কাৰ্যভাৰ গ্ৰহণৰ শপতবাক্য পাঠ কৰোৱায়। এই অনুষ্ঠানত ন্যায়াধীশ আলোক আৰাধে আৰু ন্যায়াধীশ মনোভাই পঞ্চোলিয়ে সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে। উল্লেখযোগ্য যে দুদিন পূৰ্বে তেওঁলোকক নিযুক্তি দিয়া হৈছিল। আজি নতুনকৈ দুগৰাকী ন্যায়াধীশৰ শপত গ্ৰহণৰ লগে লগে উচ্চতম ন্যায়ালয়ত নিযুক্ত ন্যায়াধীশৰ সংখ্যা নিৰ্ধাৰিত ৩৪লৈ বৃদ্ধি পালে।

০০০০০

আফগানিস্তানত ২ কোটি ২০ লাখ লোকক সম্প্ৰতি সাহায্যৰ প্ৰয়োজন হোৱাৰ বিষয়ে উল্লেখ কৰি বিশ্ব স্বাস্থ্য সংস্থাই দেশখন গুৰুতৰ স্বাস্থ্য সংকটৰ সন্মুখীন হোৱা বুলি সকিয়াই দিছে। সংস্থাটোৱে শেহতীয়া প্ৰতিবেদনত প্ৰকাশ কৰা মতে পুঁজিৰ সংকটৰ ফলস্বৰূপে দেশখনত স্বাস্থ্য প্ৰতিষ্ঠান বন্ধ কৰি দিব লগা পৰিস্থিতিৰ উদ্ভৱ হৈছে। তদুপৰি, ব্যাপক হাৰত শৰণাৰ্থী প্ৰত্যাৱৰ্তনৰ ফলত স্বাস্থ্য খণ্ডত গুৰুতৰ সংকটে দেখা দিছে বুলিও এই প্ৰতিবেদনত প্ৰকাশ পাইছে।

চলিত বৰ্ষত আফগানিস্তানৰ ১ কোটি ৬০ লাখতকৈও অধিক লোকক জীৱন ৰক্ষামূলক সহায়ৰ প্ৰয়োজন হোৱা বুলি উল্লেখ কৰি বিশ্ব স্বাস্থ্য সংস্থাই কয় যে এই বৃহৎ সংখ্যক লোকৰ মাত্ৰ ২৪ শতাংশৰ প্ৰয়োজন পূৰণ কৰিব পৰাকৈহে পুঁজিৰ যোগান বৰ্তমানলৈ নিশ্চিত হৈছে। গুৰুতৰ ধৰণৰ সংকটৰ সন্মুখীন হোৱা বৃহৎ সংখ্যক লোক প্ৰয়োজনীয় সাহায্য তথা আপডালৰ পৰা বঞ্চিত হোৱা বুলি উল্লেখ কৰি সংস্থাটোৱে লগতে কয় যে পুঁজিৰ এই অভাৱৰ ফলত মহিলা আৰু শিশুসকল অধিক পৰিমাণে প্ৰভাৱিত হৈছে। ইতিপূৰ্বে বিধ্বস্ত হৈছে পৰা দেশখনৰ সমস্যা তথা অস্থিৰতাই অধিক গুৰুতৰ ৰূপ ধাৰণ কৰাটোক প্ৰতিহত কৰাৰ বাবে সাহায্যৰ পৰিমাণ বৃদ্ধি কৰিবলৈ সংস্থাটোৱে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ প্ৰতি আহ্বান জনাইছে।

০০০০০

আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ২৯ আগষ্টত এই দিৱস পালন কৰা হয়। এই বছৰ ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ মূল বিষয়বস্তু হৈছে- শান্তিপূৰ্ণ আৰু সৰ্বাত্মক সমাজৰ প্ৰসাৰৰ বাবে খেল-ধেমালি। এই বিষয়বস্তুৰ জৰিয়তে খেল-ধেমালিয়ে কিদৰে দলীয় ভাৱনা শক্তিশালী আৰু ভাষা অথবা আঞ্চলিক বিভেদ দূৰ কৰি জনসাধাৰণক ঐক্যবদ্ধ কৰে সেই বিষয়ে আলোকপাত কৰা হৈছে। ইয়াৰ উপৰি এই বিষয়বস্তুৰ মাধ্যমেৰে শান্তি, সৰ্বাত্মকতা আৰু সদভাৱৰ আহিলা হিচাপে ক্ৰীড়াৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০

**সমাপ্ত**